## সম্পাদকীয় পৰিবৰ্তে

### কবি আৰু কবিতা

যাওঁ ব'লা
সৰাপাতবোৰে মাতি আছে
মৃতশিশুবোৰে মাতিছে
চুই চাও তেজ আৰু ধূসৰতাৰ ৰং

কোনেনো নামাতে কবিক কাষলৈ?? কোনে নিদিয়ে কবিক এষাৰি আকুল মাত। কবি যে সকলোৰে প্ৰাণৰ আপোন। গছ, ফুল, চৰাই, সৰাপাত, নদী, মুমূৰ্ষ মানুহ, পীড়িত, দলিত, শোষিত, নিষ্পেষিত ক'ত নাই কবিৰ বাবে অকণমান জিৰণিৰ ঠাই। কবি যে মানুহৰ বুকুৰ আপোন। কবিৰ সমানে সমানে কবিতাও আজিৰ সাহিত্যৰ এক যুগজয়ী শিল্প।

অৰুণোদয়ৰ যুগৰ পৰা আজিৰ সাম্প্ৰতিক যুগলৈকে কবিতাৰ বিচিত্ৰ পৃথিৱীত বিচৰণ কৰিছে যুগজয়ী কবি আৰু কবিতাৰ দৰে অনুপম শিল্পই। আন যিকোনো শিল্পতকৈ যুগজয়ী, মানুহৰ মুখে মুখে যি বাৰে বাৰে উচ্চাৰিত হৈওঁ পুনৰ হৈ থাকিবৰে সুযোগ লাভ কৰে সেইয়াই কবিতা শিল্প। কবিতা নিৰ্মাণ হয় বৰ্তমানৰ বুকুত কৰ্ষিত শব্দৰ ফচলেৰে। কবিতাই মানুহক পোহৰৰ বাট দেখুৱায়। কবিতাই ওচৰ চপাই আনে মানুহৰ পৰা মানুহলৈ, গছৰ পৰা শিপালৈ, আকাশৰ পৰা মাটিলৈ আত্মিক বান্ধোনৰ; শৈল্পিক ভাৱনাৰ ব্যঞ্জনাৰে কবিতাই ন-ন সাজ পিন্ধি আলোকিত কৰে পৃথিৱীৰ চুক কোণ। আমি এনেদৰে ওচৰ চাপো মানুহৰ যন্ত্ৰণাৰ, শোষিতৰ প্ৰতিবাদী শোভাযাত্ৰা কিম্বা আকাশত নিনাদিত হৈ থকা অশান্ত সুৰবোৰ স্পৰ্শ কৰিবলৈ।

এইবাটেদি কিছু আগবাঢ়ি চাবলৈ যাওঁতে কিছু কিছু মুহূৰ্তত কবিতা কাৰোবাৰ অনুপম কাপৰ পৰা বিখ্যাত শিল্প হৈ উঠিছে হয়তো কোনো কোনো জনৰ ভাৱ প্ৰকাশৰ অসামঞ্জস্যই অকবিতা ও হৈছে। তথাপি হৃদয় মগজুৰ তাগিদা আমি নুই কৰিব নোৱাৰো, লিখিবলৈ উচতাই থকা আমাৰ অৱচেতনিক মনৰ তাগিদাত সৃষ্টি কৰিছো এনে অনুপম শিল্পক। সেয়াই কবিতা।

কবিতা সভাত বৈ আমি কোনো কোনো মুহূৰ্তত কেতিয়াবা হয়তো বৈ গৈছো নিজৰ কবিতাৰ চাৰিসীমাৰ ভিতৰত; ফুচফুচাই উঠিছো আনৰ কবিতা নুশুনাৰ আচিলাতে। কিন্তু অনুভূতিশীল অন্তৰৰ এজন পাঠক হোৱাৰ আমাৰ জানো দায়িত্ব নাই? এনে কোনো নিদেৰ্শনাৰে আমি একেমুখে কাৰো কবিতাক অকবিতা বুলি কৈ কবিজনক নিবাৰ্সন দিয়াৰো হয়তো প্ৰয়োজন নাথাকিব, যদিহে উচিত সমালোচনা, নিৰ্মোহ অভিবাদনেৰে সহযোগী কৰো এজনে আনজনক। নতুন চিন্তা চেতনাৰে, নিজস্ব ভাব-অনুভূতিৰে কাৰো নিৰ্দেশনা নোহোৱাকৈ কবিতা স্ব-প্ৰতিভাৰে বিকাশি উঠক নতুন দিনবোৰত ভাস্কৰ্য হৈ।■

*— ৰুস্তম গগৈ*

## মেঘবৰণীয়া ছাঁবোৰ

**বিকাশজ্যোতি শইকীয়া**



মেঘবৰণীয়া ছাঁবোৰে আমাৰ বুকুৰ চোতাল ঢাকিছেহি
মিজোন, আহাঁ আঁতৰাই পেলাওঁ এই আমনি
মোৰ হাতত ধৰা, লৈ আহোঁগৈ সিজল গছৰ ছাঁ
বুকু ঢকা সেই ছাঁত জিৰাওক সখিয়তী চৰাই

ব'লা গুচি যাওঁ, বিষন্ন ডাৱৰে আমনি নকৰা পাহাৰটোৰ সিপাৰলে
বনৰীয়া পাহাৰীয়া ফুলবোৰে আমাক জনাব জীৱনৰ সম্ভাষণ

কোনো সপোনেই বিফল নহয়
কোনো হেঁপাহেই বৈ নাযায়
ছাঁবোৰৰ আমনিত

মিজোন, জ্বলাই লোৱা পোহৰ প্ৰাৰ্থনাৰ চাকি
খুপি খুপি পাৰ হৈ যাওঁ
এই জোঙা শিলৰ অচিন বাট

গানবোৰে মাতি আছে আমাক
পুৰাৰ চৰাইবোৰে
মাতি আছে পুৰতিৰ সপোনবোৰে

হাতত ধৰা মিজোন
হাহাকাৰবোৰৰ সিপাৰে যি জুই জ্বলি আছে
নুমুৱাই থৈ আহোঁ এখিনি সৰৰ মৌনতাৰে

কোনো দুখেই নিয়তি নহয়
কেৱল পোহৰহে নিয়তি
আমাৰ বুকুৰ
ব'লা, এবাৰ শুনি আহোঁ
অসূৰ্যস্পৰ্শা অৰণ্যৰ সজীৱ-সপ্ৰাণ সংগীত।।■

## মানুহৰ দেউল

**তপন বৰুৱা**

দিনৰ দিনটো যুঁজি যুঁজি
সৌ দেউলৰ কলচীত
এখন্তেক আগতে জ্বলাই থৈ আহিলো
এগছি চাকি।

এনে কৰিলে হেনো
ভিতৰবোৰ মৰি অহা মানুহৰ
বুকু উজলি উঠে সোণালীৰে
আৰু নিজে প্ৰথমে দেউল, তাৰ পাছত
ওখ হ'বলৈ প্ৰয়াস কৰে
আকাশৰ সমান।

লাহে লাহে
তেনেকৈয়ে এদিন নমাই আনে
ৰ'দ-বৰষুণ-জোনাকৰ বাগিচাৰ পৰা
শিল ইটা বালি আৰু
সবাকেই জোৰা লগোৱা অমিয় সুধা
নতুনকৈ এটা দেউল গঢ়িবলৈ
মাটিৰ বুকুত।■




দীচেন গগৈৰ
প্ৰথম কবিতা পুথি ঃ কবিতাৰ বুকুচাত সময়
প্ৰকাশক ঃ বৰহাট শাখা সাহিত্য সভা
প্ৰকাশকাল ঃ এপ্ৰিল, ২০১৩




ভাস্কৰজ্যোতি চুতীয়াৰ
প্ৰথম কাব্য পুথি ঃ দেউতা
প্ৰকাশকাল ঃ মে' ২০১৭

## হৃদয়ৰ গান

**কাৰ্তিক চন্দ্ৰ তালুকদাৰ**

তেওঁৰ আগমনত
পদূলিৰ দুবৰি মৰে
কাউৰীৰ মাতত পৃথিৱী কঁপে
তেওঁ অটল,
সন্তৰ্পণে মেলি দিয়ে ৰঙীন দলিচা
মই তৃপ্ত আৰু সন্তুষ্ট হওঁ।

এতিয়া তেওঁ অবিহনে শূন্য
ভৰুণ হয় সময় মিঠা অনুভৱত।
দুখ বেজাৰবোৰেই জীৱনৰ মালা গোঁঠে
তেওঁৰ সপোনৰ পাছে পাছে মোৰ
ৰণুৱা ঘোঁৰা দৌৰে।

সময়ৰ অন্তৰালেও সজাব পৰা নাই বিভেদৰ প্ৰাচীৰ
মই যে সীমান্তৰ অক্ষুন্ন প্ৰহৰী
শুই শুই সাৰে থাকো অনন্ত ৰজনী।
এই গান গাব নোৱাৰো পুনঃ
সাঁচিথবা যতনে
হৃদয়ৰ ভাঁজে ভাঁজে।।■

## চহৰ-পাঠ

**বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই**

এখন চহৰত এজাক কাউৰী কোৰ্হাল থকাটো বাঞ্ছিত
গলিত আন্ধাৰত ওপজা বদনামো ইয়াৰ ভাগী
যাৰে চহৰখনক জনা যায় জানিব পাৰি

পদপথৰ উদাস চাৱনিবোৰ খেদি দলিছা পাৰে
চহৰভক্ত এচাম মানুহ, শিশুৰ দেৱালবাস জীৱন

কত কি ঘটনা ঘটে নঘটে
কাৰ গচকত মৰিল ইমানবোৰ পৰুৱা
উৰি থাকে কেইজনীমান চতুৰ চৰাই

প্ৰিয় নহৈ নোৱাৰে এই চহৰ কোনো পৰ্যটকৰ
ভাল নোপোৱাটো সাধ্যৰ অতীত

সকলো দয়-নিৰ্দয়তা কাঢ়িও
আমাৰ নিলগ-নিজান গোপনীয়তা

এই চহৰ অধ্যয়নো এক প্ৰকাৰৰ নিচা
প্ৰেমৰ দৰেই...■

# আমাৰ আছে ভৱিষ্যতৰ...

Caudwell এ কৈছিল কবিতাই মানুহৰ অনুভূতিক সমাজমুখী কৰি তোলে। হয়তো অমূল্য বৰুৱাই এনে এক পৰিস্থিতিলৈ নিজকে উন্নীত কৰি সমাজবাদী বাস্তৱতাৰে ৰচনা কৰিছিল বিপ্লৱী, বেশ্যা, আন্ধাৰৰ হাহাকাৰ, কুকুৰ আদি কবিতা। তেওঁৰ কবিতাত স্পন্দিত গদ্যৰ সঘন ব্যৱহাৰ অনুভৱ কৰা যায় আৰু সেয়ে আছিল তেওঁৰ পৰৱৰ্তী সৃষ্টিৰ মাধ্যম। আজি অমূল্য বৰুৱা আমাৰ মাজত নাই কিন্তু তেওঁৰ কণ্ঠস্বৰ আমাৰ গতিশীল শক্তিৰ মৃত্যুঞ্জয়ী অমৃতৰ গোপন ভাণ্ডাৰ হৈ আছে। বিশিষ্ট কবি আৰু আধুনিক কবিতাৰ এগৰাকী বৰেণ্য পণ্ডিত সমালোচক ভৱেন বৰুৱাই তেখেতৰ অসমীয়া কবিতা ৰূপান্তৰৰ পৰ্বত (পৃঃ ৩৬) অমূল্য বৰুৱা সম্পৰ্কত কৈছে “যতীন্দ্ৰনাথ দুৱৰাৰ কথা-কবিতাৰ পাছত যদি আন এটা সমাৰ্থক আধুনিক ছন্দৰ নমুনা দেখুৱাবলৈ “জয়ন্তী” যুগৰ কোনো কবিতা বাছিব লগীয়া হয়, বাছিব লাগিব অমূল্য বৰুৱাৰ কবিতা”। প্ৰকাৰন্তৰে তেখেতে “বিপ্লৱী” কবিতাটোকে আঙুলিয়াইছে। তেওঁ কৈছে — ‘ইয়াত আনকি ভাৰতীয় ধৰ্মীয় মনৰ গঙ্গাস্নানৰ ব্যঞ্জনাখিনিও আছিল। “জয়ন্তী” যুগৰ বুকুতো অমূল্য বৰুৱাৰ কবিতাত এটা সঁচা সজীৱ Spiritual humansim ৰ শক্তি আছিল- এটা অনুভুত Spiritual শক্তিও আছিল। “অমূল্য বৰুৱাৰ যোগেদিয়েই আধুনিক অসমীয়া কবিতালৈ লাহে লাহে এটা নতুন শক্তিও যেন আহিছিল। কিবা এটা, যিটো বিজুলী শক্তিৰ নিচিনা এটা মূল্যৱান ৰহস্য অমূল্য বৰুৱাই হুইটমেনৰ পথতে এটা জীয়া আধুনিক ছন্দ আয়ত্ব কৰিছিল আৰু তেওঁৰ ‘বিপ্লৱী’ কবিতাটো এতিয়াও অন্তত এটা পৰ্যায়ত জীয়াই আছে — এনে জীয়া আধুনিক ছন্দটোৰ বিজুলী শক্তিখিনিৰ জোৰতো। অতি ‘পৰিচ্ছন্ন’ চৰিত্ৰৰ অসমীয়া উচ্চাৰণৰ পথতে পাব পৰা এটা নতুন ছন্দ, এয়া বুজিবলৈ টান নহয়। অমূল্য বৰুৱাৰ উচ্চাৰণভঙ্গীত কিবা এটা আছিল”—

হে যান্ত্ৰিক যুগৰ যন্ত্ৰপ্ৰায় বিশ্বপ্ৰিয়া!
কোনে কয় তুমি বীৰাঙ্গনা?
তুমি কুৰি শতিকাৰ নগ্ন সভ্যতাৰ
নিৰ্ভীক বীৰাঙ্গনা।

— “বেশ্যা”

কবিৰ কণ্ঠ সদায় মন আৰু হৃদয় জাগ্ৰত কৰা। মানুহৰ ভালপোৱা ভাষাটো কবিৰ দ্বিতীয় ভাষা আৰু এই ভাষাটো কবিতাৰ আঁৰত লুকাই থাকে। মানুহৰ দুখ-যন্ত্ৰণা, হাঁহি-আনন্দৰ মাজত নিজক বিলীয়মান কৰিব পৰাটোৱেই প্ৰকৃত কবিৰ লক্ষণ। (মানুহৰ লগত সম্পৰ্ক নথকা কবিতাই শব্দ কৰিব পাৰে, গান গাব নোৱাৰে-নেৰুডা) এনে যন্ত্ৰণা আৰু আনন্দৰ মাজত থাকোতে থাকোতে কেতিয়াবা কবিয়ে নিজৰ অস্তিত্বকে হেৰুৱায়। কবিৰ আত্মাৰ সৌন্দৰ্য আৰু কোমলতাৰ কথা পাবল’ নেৰুডাৰ লৰ্কা সম্পৰ্কত কোৱা কথাখিনিকে সদায় মনত পৰি থাকে। তেওঁ কৈছিল “লৰ্কা লাৱণ্য আৰু প্ৰতিভাৰ সংমিশ্ৰণ, ডেউকাত ভৰ দিয়া পাতল হিয়া আৰু ফটিকৰ দৰে ফটফটিয়া পানীৰ জলপ্ৰপাত তেওঁৰ কবিতাত যেনেকৈ সানমিহলি হৈছিল আৰু কোনো কবিৰ কবিতাত তেনে হোৱা মই দেখা নাই’ (What a Poet! I have never seen grace and genius a winged heart and crystalline waterfall, come together in anyone else as they did in him, Federico Garcia Lorca, was the extravagant “duende” he was a magnetic joyfulness that generated a zest for life in his heart and rediated it like a planet.) কবি আৰু কবিতাৰ প্ৰতি এই অনুৰাগ অথবা প্ৰেম প্ৰত্যেকৰে হৃদয়ত আছে। অমূল্য বৰুৱাই কবিতাৰ প্ৰথম স্তৰত মানুহৰ প্ৰেমৰ কথাই কৈছিল কিন্তু পাছলৈ তেওঁৰ কবিতা আন এটা সুঁতিলৈ ৰূপান্তৰিত হয়। লৰ্কাৰ কথা মনত পৰাৰ কাৰণ হৈছে এই দুয়োজন কবিৰ মৃত্যুৰ মাধ্যম আছিল হত্যা। ১৯৩৬ চনৰ ১৮ আগষ্টত স্পেইনৰ গৃহযুদ্ধৰ প্ৰথম শ্বহীদ হ’ল লৰ্কা, পৃথিৱীৰ আটাইতকৈ জনপ্ৰিয় কবি। সামাজিক-সাংস্কৃতিক শক্তিৰ প্ৰাচীৰস্বৰূপ লৰ্কাক ফেচিষ্টইঁতে হত্যা কৰিছিল আৰু তাৰ ঠিক ১০ বছৰ পাছত সেই একেই ১৮ আগষ্টতে (১৯৪৬) কলিকতাত সৃষ্টি হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত অমূল্য বৰুৱাক দুবৃত্তই হত্যা কৰিছিল। এই দুয়োজন কবিৰ মৃত্যুৰ পন্থা একেধৰণৰ। অমূল্য বৰুৱাৰ এজন প্ৰেৰণা দাতা মুনীন বৰকটকীয়ে লিখিছে ‘কিয় জানো অমূল্যৰ কবি জীৱনৰ কথা মনত পৰিলে মোৰ গাৰ্থিয়া লৰ্কালৈ মনত পৰে। সেইজন ক্ষমতাশালী কবিৰ সৈতে অমূল্য বৰুৱাৰ আত্মাৰ যোগ আছিল তেনে লাগে। আমি গঢ়িছো নিজৰ ৰূপ সমাজৰ, বিশ্বমানৱৰ সুগভীৰ দৃঢ় সভ্যতা আমাৰ সংস্কৃতিৰ নৱসাম্য মন্দিৰ লৰ্কাই এঠাইত কৈছে- We must love the moon on the lake of our souls and fashion our religious meditation over the magnificent abyss of flairing sunsets........ because colour is the eye's of music

এটা কবিতাত আছে —

The old star
shuts her bleary eyes
The new
star
wants to paint the night
Blue
আৰু শূন্যৰ কোলাত উঠা
নৱমীৰ নতুন জোনটো
হাঁহি হাঁহি পাৰ ভাঙি ঢালি দিব খোজে তাৰ
জোনাকৰ ঢল।

এনেধৰণৰ কবিতাৰ সৌধ সজা মানুহ, প্ৰেমৰ জুৰণীয়া মৌ হৈ উৰি ফুৰা মানুহ, প্ৰৱাহিত নদীৰ সোঁতত প্ৰাণৰ গুঞ্জন শুনা মানুহ, ছন্দ লালিত্যৰে পৃথিৱীক জনাই দিয়া মানুহৰ জীৱনৰ ভয়াৱহতা আশ্বৰ্যময়। তেনে এক আশ্বৰ্যময় পৰিৱেশতে লৰ্কাক বধ্যভূমিলৈ লৈ গৈছিল। ঘৰৰ ছালৰ তলত টুকুৰা-টুকুৰকৈ কাটি পেলোৱা হৈছিল অমূল্য বৰুৱাক। এনেধৰণৰ কবিৰ প্ৰতি বিৰাগ আৰু অন্যায় পৃথিৱীত অলেখ আছে। ৰাছিয়াৰ আটাইতকৈ জনপ্ৰিয় কবি আছিল পুস্কিন। এজন ৰুছ সমালোচকে কৈছিল “মই পুস্কিনৰ এটা অপ্ৰকাশিত কবিতাৰ বিনিময়ত টলষ্টয়ৰ গোটেইবোৰ ৰচনা দিবলৈ সাজু আছো”। এই পুস্কিনকে তৰোৱালধাৰী সৈন্য এজনে আন্ধাৰ পথৰ গছৰ তলত জখম কৰি পেলাই থৈ গৈছিল। পেটোফিৰ প্ৰাণহীন দেহৰ ওপৰেৰে যুদ্ধৰ ঘোঁৰাবোৰক দৌৰাই দিয়া হৈছিল, যুদ্ধৰ বিপক্ষে যুঁজিবলৈ গৈ গ্ৰীচত বাইৰণৰ মৃত্যু হয়। স্পেইনৰ ফেচিষ্টসকলে তাৰ শ্ৰেষ্ঠতম কবিজনক হত্যা কৰিলে। এনেবোৰ দুৰ্যোগ, দুৰ্ভাৱনাৰ মাজত কবিতা জীয়াই আছে, জীয়াই থাকিব। কবিতাৰ এটা নিজস্ব ৰূপ আছে, আত্মা আছে। কবিতা এনে বস্তু নহয় যে যিয়ে যেনেকৈ লয় সি তেনেকৈয়ে গতি কৰিব। কবিতা পাত্ৰত থোৱা জুলীয়া পদাৰ্থও নহয়, পাহাৰৰ পৰা ভাঙি অনা শিলৰ টুকুৰাও নহয়। কবিতা কবিৰ হৃদয়ৰ লগতহে সংপৃক্ত, বিষয়ৰ লগত নহয়। প্ৰতিজন কবিৰ কবিতাত নিজস্ব মানদণ্ড আছে, ইয়াৰ প্ৰতিধ্বনি আছে। সেয়া তেওঁ জীৱন্ত কৰি থোৱা ভাল। বিশ্বকবি নেৰুডাই কৈছিল- ‘আমি কবিসকল সুখী হোৱাৰ অধিকাৰ আছে। যেতিয়ালৈকে আমি ৰাইজৰ লগত থাকি তেওঁলোকৰ সুখৰ বাবে সংগ্ৰামৰ অংশীদাৰ হৈ আছো তেতিয়ালৈকে আমি এই অধিকাৰ নেহেৰুৱাও।’ এয়াই অমূল্য বৰুৱাৰ ভাষাত - আমি গঢ়িছো নিজৰ ৰূপ, সমাজৰ বিশ্বমানৱৰ সুগভীৰ দৃঢ় সভ্যতা, আমাৰ সংস্কৃতিৰ নৱ সাম্যমন্দিৰ। কবিতাক কাব্যৰসিকসকলৰ ওচৰ চপাই নিবৰ বাবে বৰ্তমান অসমত অধিক একনিষ্ঠ প্ৰচেষ্টাৰ কথা সকলোৰে চকুত পৰিছে। তাৰেই এক উৎকৃষ্ট উদাহৰণ সদৌ অসম কবি সন্মিলনে আয়োজন কৰা বিভিন্ন সভা-সমিতি আৰু বিজ্ঞজনৰ প্ৰতি জনোৱা সন্মান, লগে লগে বিশিষ্ট কবিসকলৰ নামত আয়োজন কৰা সোঁৱৰণী সভা। এই আয়োজনক স্থায়ী ৰূপ দিবৰ বাবেই আমি ইয়াৰ লগত সংযোগ কৰিছো প্ৰকাশনৰ এটা সুকীয়া ৰূপ। তাৰেই ফলশ্ৰুতি হ’ল ২০১২ চনত প্ৰকাশ হোৱা হীৰেন ভট্টাচাৰ্যৰ কবিতা আৰু দৰ্শন, এইবাৰ সংযোগ কৰা হ’ল অমূল্য বৰুৱাঃ দৃষ্টি আৰু দৰ্শন। আমাৰ সামূহিক পৰিকল্পনাৰ মাজত আন আন প্ৰকাশ কৰিবলগীয়া গ্ৰন্থও আছে। এনেবোৰ লিখা উলিওৱাত সন্মিলনৰ কৃতিত্ব বিচৰা হোৱা নাই। নতুন প্ৰজন্মৰ লেখক-পাঠকৰ মনত কাব্যানুভূতি জগাই তুলিবলৈকে এই নিঃকিন প্ৰচেষ্টা। ইয়াত প্ৰকাশিত সকলো প্ৰবন্ধ নতুন নহয়। নতুন-পুৰণিৰ সমাৱেশতহে ইয়াৰ জন্ম। আমাৰ বৰেণ্য বহু লেখকৰ লিখা নতুন কবি আৰু পাঠকে বিচাৰি ফুৰিবলগীয়া নহ’বৰ বাবে ইয়াত দুয়োটা অৱস্থাকে জীয়াই ৰাখিবলৈ প্ৰস্তুতি কৰা হৈছে। এইবিলাকৰ মাজেৰেই নতুন প্ৰজন্মই প্ৰজ্ঞা আৰু প্ৰতিশ্ৰুতিৰে পঠন আৰু অধ্যয়নত মনোনিৱেশ কৰিব পাৰিব। এয়া কবি সন্মিলনৰ সমগ্ৰ সদস্যবৃন্দৰ প্ৰচেষ্টা ।

অসমৰ চহৰবোৰত আৰু অসমৰ গাঁও অঞ্চলতো উৎসাহ-উদ্দীপনাৰে আৰু সফলভাৱে কবি সন্মিলন অনুষ্ঠিত হয়। কবিসকলৰ মাজত অন্তৰংগতা আৰু ঘনিষ্ঠতা জাগ্ৰত কৰিবলৈকে আজিৰ পৰা ২৮ টা বছৰৰ পূৰ্বে আমাৰ অগ্ৰজ জনপ্ৰিয় কবি ৰাম গগৈৰ প্ৰচেষ্টাত সদৌ অসম কবি সন্মিলনৰ জন্ম হৈছিল। ইয়াৰ আগতে অসমৰ কাব্য আন্দোলনৰ বাবে কোনো অনুষ্ঠান নাছিল। সদৌ অসম কবি সন্মিলনে সক্ৰিয়ভাৱে এতিয়াও কবি আৰু কবিতাক অসমৰ কাব্যৰসিকৰ মাজত জীৱন্ত কৰি থৈছে। ইয়াৰ পৰম্পৰাগত প্ৰবাহিত সুঁতিয়ে সকলোৰে প্ৰাণত প্ৰেম আৰু প্ৰত্যাশ্যা জগাই তুলিব পৰাটোৱেই আমাৰ কাম্য হোৱা উচিত। সন্মিলনৰ অন্তৰ্গত শাখাসমূহে প্ৰাণচঞ্চলতাৰে সন্মিলনক জাগ্ৰত কৰি ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰি আছে। তেওঁলোক আমাৰ নমস্য। একনিষ্ঠ কৰ্মানুভূতি থাকিলে মানুহে কাৰো সহায় নোহোৱাকৈয়ে সৃষ্টিৰ সাগৰ গঢ়িব পাৰিব। তাৰ উৎকৃষ্ট উদাহৰণ আমাৰ মাজতে বহুকেইজন আছে। সকলোৰে নাম ন’লৈ মাথোঁ চাৰিজনৰ নাম মই সদম্ভে ঘোষণা কৰিবলৈ বিচাৰো। তেওঁলোক হ’ল ডঃ হীৰেন গোহাঁই, নীলমণি ফুকন, ভৱেন বৰুৱা আৰু হীৰেন্দ্ৰ নাথ দত্ত। তেওঁলোকৰ একাগ্ৰতা, প্ৰেম আৰু সৃষ্টিৰ অনুভূতিয়ে আমাৰ পোহৰৰ বাটটো উজ্জ্বল কৰি ৰাখিব বুলি আমাৰ বিশ্বাস। তেওঁলোকৰ কৰ্ম-উৎসাহেৰে আমি সদায়ে সুন্দৰৰ সপোন দেখি থাকিম। জ্যোতিপ্ৰসাদেও কৈছিল বিশ্ববিয়পা ৰামধনু হৈ ফুলিব মোৰ, জ্বলিব মোৰ মন। মানুহৰ মাজত মন আৰু হৃদয়েৰে নিজক প্ৰতিষ্ঠা কৰিব পৰা শক্তি কবিৰ থাকিব লাগিব। কাব্য সাধনাৰ শৃংখল পথত জনমানসৰ মাজৰ পৰা কবিয়ে শক্তি আৰু সৌন্দৰ্য আহৰণ কৰিব পাৰিব লাগিব। নিজকে মানুহৰ মাজত বিচাৰি পাব লাগিব, মানুহৰ প্ৰাণত মানৱতাবাদৰ বীজ ৰোপণ কৰিব পাৰিব লাগিব তেতিয়া কবিয়ে সসীমৰ বাটেৰে খোজ ল’ব পাৰিব। এনে প্ৰত্যয়কে নেৰুদাই মানুহৰ মাজত বিচাৰিছিল- I have always wanted the hands of people to be seen in poetry, I have always preferred a poetry where fingerprints show. A poetry of loam, where water can sing. A poetry of bread, Where everyone may eat. (from the poetry of Pablo Neruda Edited by Ilan stavans) ■

## কবি জীৱনানন্দ দাসৰ...

*(প্ৰথম পৃষ্ঠাৰ পৰা)* চক্ষুৰ নহয় এই অন্ধতা জ্ঞানৰ, দৃষ্টিভংগীৰ।

অদ্ভুত আধাৰ এক আসেছে এ-পৃথিৱীতে আজ
যাৰা অন্ধ সব চেয়ে বেশি আজ, চোখে দ্যাখে তাৰা।
(অদ্ভুত এক আন্ধাৰ নামি আহিছে পৃথিৱীলৈ আজি
অন্ধ যি, সিহঁতেহে দুচকুৰে বেছি দেখে আজি)

কবিয়ে গভীৰ ক্ষোভ আক্ষেপেৰে কৈছে যে, যাৰ বাবে সত্য, শিল্প বা সাধনা এতিয়াও চিৰন্তন আৰু যাৰ এতিয়াও মানুহৰ প্ৰতি গভীৰ আস্থা আছে তেওঁলোকৰ হৃদয় শগুণ আৰু শিয়ালৰ খাদ্য। কবিয়ে শিয়াল আৰু শগুণক বহুজাতিক কোম্পানীৰ শোষণ, ব্যক্তিকেন্দ্ৰিকতা, ভোগবাদীতাৰ প্ৰতীক ৰূপত প্ৰয়োগ কৰিছে।

এখনো যাদেৰ কাছে স্বাভাৱিক বলে মনে হয়
মহৎ সত্য বা ৰীতি, কিংবা শিল্প অথবা সাধনা
শাকুন ও শেয়ালেৰ খাদ্য আজ তাদেৰ হৃদয়।
(এতিয়াও যাৰ বাবে স্বাভাৱিক
মহৎ সত্য বা ৰীতি, শ্লিপ অথবা সাধনা
শগুণ আৰু শিয়ালৰ খাদ্য আজি তেওঁলোকৰ হিয়া।)

কবিৰ এই সমকালীন চেতনা তথা গভীৰ মনোবেদনাৰ প্ৰকাশেই কবিতাটোৰ আধাৰ। এই কঠোৰতাৰ বিপৰীতে কবিয়ে এক সন্দ্ৰ নৈসৰ্গিক জগতৰ চিত্ৰকল্প নিৰ্মাণ কৰি উলিয়াইছে। কবিয়ে শব্দৰ তুলিকাৰে ছবি আঁকি কৈছে কিয় মিছাতে নক্ষত্ৰবোৰ আহে আৰু যায় আৰু কিয় মিছাকৈ জাগি উঠে নীলাভ আকাশ। মিছাতে কিয় ময়ুৰ পংখী নাৱৰ দৰে সোণবৰণৰ জোনটোৱে আহতৰ শাখাৰ সিপাৰে ভুমুকি মাৰে। নিয়ৰৰ চুমাৰ পৰশত ফুলি উঠে থোপাথোপে কহুৱা। বুলবুলি, টুনটুনি চৰাইয়ে কিয় মিছাতে বনে বনে উৰি ফুৰে।

কেন চাঁদ ভেসে সোণাৰ ময়ুৰপঙ্খী
অশ্বত্থেৰ শাখাৰ পিছনে?
শিশিৰেৰ চুমু খেয়ে গুচ্ছে গুচ্ছে ফুটে ওঠে কাশ?
খঞ্জনেৰা কেন নাচে? বুলবুলি দুৰ্গা-টুনটুনি কেন
ওড়াউড়ি কৰে বনে বনে?

এই নৈসাৰ্গিক চিত্ৰৰ পৰা পাঠকক কবিয়ে আঁতৰাই আনি পুনৰ মুখামুখি কৰাইছেহি এখন কমিছনৰ পৃথিৱীৰ সৈতে। যেন আমি সকলো গড্ডালিকা প্ৰৱাহত অংশগ্ৰহণকাৰী। আমাৰ বাবে এখন গাড়ী আৰু বিলাসীতাই জীৱনৰ সৰ্বস্ব কিন্তু আমি পাহৰি গৈছোঁ আমি যে তৃণ। বুটজোতাৰ তলত পিষ্ট তৃণ। সেই বুটজোতা হ’ল আমাক ভোগবাদী কৰি তোলা মানৱতাৰ পৰা আমাক আঁতৰাই অনা কাৰকবোৰ। কবিতাটোৰ মাজত প্ৰতিফলিত এখন কলাৰ চিন্তা-চৰ্চাৰহিত সমাজ, সমকালীন চেতনা আৰু কবিয়ে সৃষ্টি কৰা চিত্ৰকল্পই কবিতাটোক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। ■

## কৃষকৰ স্মৃতি

**মৃদুল কুমাৰ চাহু**



কৃষকৰ
নাঙলৰ সীৰলুত
প্ৰতিফলিত হোৱা সৃষ্টিবোৰ
বানে উটুৱাই লৈ গ'ল
কৃষকৰ
সৃষ্টিৰ গৰ্ব—
নিমিষতে পৰ্য্যবেশিত হ'ল সাহাৰ্য্য লৈ
প্লাষ্টিকৰ মোনাত
জীয়াই থকাৰ এবুকু সপোন কঢ়িয়াই
দিনবোৰ
ৰাতিবোৰ আৰু
সময়বোৰৰ লগত যুঁজ কৰা
কৃষক
হে পৰিল প্ৰতিবাদৰ প্ৰতীক
হেতাপৰা ক্লান্তিহীন ভাৱনাক
কঢ়িয়াই
জীয়াই থকা হাবিয়াস কৰা কৃষকৰ
চিন্তা, ভাৱনা কল্পনাবোৰ
দিহিং, দিচাং, ডিক্ৰুং নৈৰ
বুকুত বিলীন হৈ গ'ল
বালি চাপৰিত বৈ গ'ল
কেৱল স্মৃতি
এতিয়া কৃষকৰ
নাঙলৰ সীৰলুত সোণগুটি পৰিৱৰ্তে
লাগি আছে
কোনোবা আত্মীয়ৰ কংকালৰ হাড়।■



## শিলৰ গাঁথা

**অমলা গগৈ**

জলকুঁৱৰী দে
তোৰ পানী পিছল হাত
চুই চাওঁ শিলৰ বুকুৰ ৰেখা;
কিমান শিলাময়
তৰপতো থাকে
মাটিৰ ভঙা গঢ়াৰ
অতীত গাঁথা
তাৰেই বুজ লওঁ
বাৰে বাৰে শিল ভাঙো।
শিলবোৰ
সঁচাকৈয়ে শিলনে?
শিল হোৱাৰ আগত
শিলবোৰ মাটি আছিলনে
শিলবোৰ সহজ আছিলনে
চুই চাব পৰাকৈ
শিলৰ আয়ু।
জলকুঁৱৰী দে
তোৰ সেই পানী পিছল হাত
শিলৰ ইতিহাস খুচৰি
বিচাৰি চাওঁ
শিলৰ বৰ্ম হৃদয় তলি।■

## মাজৰাতি উচুপি উঠে মোৰ কলিজাই

**হেমা চৌধুৰী গগৈ**

মাজনিশা হঠাৎ সাৰপাই উঠি শুনো
কোনোবা বৰ্নাত শিশুৰ আৰ্তনাদ
চকুৰ আগত ভাঁহি আহে
বিভীষিকাময় এটা দুৰ্ভোগ্য জীৱন
তলে পানী ওপৰে পানী
পানী আৰু পানী
পানীৰ মাজতে হেৰাই যায় ঠিকনা
কলৰ ভুঁৰত উঠি বিচাৰে জীৱনৰ সংজ্ঞা
হাতৰ পৰা খুলি পৰা ব'ঠাৰ লগত
উটি যায় বহু আশা

পেটৰ তাড়নাত নে বাসস্থানৰ অভাৱত
পুহনীয়া জন্তু কেইটাৰ সহাৰস্থান
যেন ইতৰ প্ৰাণীহে
কষ্টৰে গোটোৱা কিতাপকেইখনো
নাই কোনো চিনচাব
সাৰ পাই পাই সপোন দেখা শিশুহঁতৰ
বাৰে বাৰে অহা কাল ধুমুহাই
উৰুৱাই নিব খুজে চালিখন
সপোনবোৰ কি হ'ব...!
সিহঁতৰ চিঞৰত নকঁপে শীত তাপ
নিয়ন্ত্ৰিত কোঠাবোৰ
বিশাল অট্টালিকাৰ দেৱালবোৰে
আতংকিত জীৱনৰ ছবিবোৰ
তাত প্ৰৱেশ কৰিব নিদিয়ে
উভটাই পঠিয়াই প্ৰহৰাদ্বাৰে

পেটত ভোক, বুকুত ভয় আৰু
শৰীৰত ৰোগৰ গজালি লৈ
সিহঁতে চিঞৰে
কোনে শুনিব সিহঁতৰ
ক্ৰন্দন
মাজনিশা সাৰপাই উঠো মই....■

## নৈ পৰীয়া কবিতা

**হেমন্ত চুতীয়া**

নাখাওঁ মই শুদা ভাত
দুখৰ গৰাখহনীয়াই
ব্যতিব্যস্ত কৰে মোৰ আইক।

ভাঙে কামি হাড়
টুকুৰা-টুকুৰকৈ
মোৰ পিতাইৰ

বুকুৰ বাৰিষাৰ ৰাতি...
পুতাই অ'
খাবৰ সময়ত অভিমান নকৰিবি চোন
ভগৱন্তই যিহকে মিলাইছে
তাকে অন্ন বুলি খা।
দুদিন মানৰ পিছত
এইকেইটাও মুখত দিবলৈ নাপাবি।

প্ৰশ্নবোধক দৃষ্টিৰে
আই-পিতাইৰ চকুলৈ
চাই ৰয় পুতাই।■

## নষ্ট শৈশৱ

**নৱ ৰাজন**

সন্ধ্যা নামিলে
ভয়তে পেপুৱা লাগে সিহঁত
কোঁচ মোঁচ খাই পৰি থাকে এন্ধাৰ এচুকুত;
এন্ধাৰে কুটি কুটি খায় হৃদয়
ৰ'দত দেই যায় শৈশৱ।

ৰ'দে নোৱাৰে শুচাব পেটৰ ভোক
জোনাকে নো কি পাতলাব মনৰ শোক!
পোহৰেও নুবুজে সিহঁতৰ দুখ
আন্ধাৰেও নোৱাৰে পঢ়িব বিবৰ্ণ মুখ!

যান্ত্ৰিকতাত কোঙা হয় সিহঁতৰ জীৱন
দৰিদ্ৰতাত নিঃশেষ হয় যৌৱন
ডাষ্টবিনত আখৰা হয় জীয়াই থকাৰ ৰণ

এইদৰে সিহঁতে মৰি মৰি জীয়াই থাকিব
নতুবা
জীয়াই জীয়াই মৰিব লাগিব...

এই ৰণৰ শেষ নাই...
কি ৰ'দ, কি জোনাক
কি পোহৰ, কি এন্ধাৰ!■



## নদী

**গীতৰাজ**

নদীয়ে জানে
পাহাৰৰ বুকুত
কিমান সপোন লুকাই থাকে
নীল আকাশ গুজৰি
নদীৰ স'তেই নামি আহে
তথাপি নুবুজে পাহাৰৰ গীত
বৰষুণে দিয়া উচুপনিৰ কথা
পাহাৰেও কান্দে
তাৰ বুকুত যে কোনেও নাযাচে
মৰমৰ একাত্মতা
অথচ পাহাৰেই সৃষ্টি কৰে
সেউজীয়াৰ প্ৰগাঢ় সৌন্দৰ্যতা।
শিলৰ হৃদয়ত আঁকা ছবিবোৰ
কোনে পঢ়ে
বোবা বেদনাত মাথোঁ উচুপে
এদিন আয়ে কৈছিল
"শিলৰ দৰে হওঁক তোৰ বুকু
তেহে সহিবি হাজাৰ বিষাদৰ দুখো"
জড় দুহাতেৰে পাহাৰ ভাঙিছে
অব্যক্ত বেদনাত চকুলো বোৱাইছে নদীয়ে
নদীয়েই সাক্ষী
অলিখিত পাহাৰৰ দুখৰ কাহিনীৰ....।■

## নিয়ৰৰ সাধু

**দীপ হেষ্টিংছ্ বৰি**

আহিনৰ আবেলি এটাত
আকাশ প্ৰেমত পৰিল
পৃথিৱীৰ।

দুৰ্ভাগ্য! দুই মেৰুত বিভক্ত
দুই প্ৰেমাস্পদ

প্ৰাণয়িনী পৃথিৱীৰ বতৰা নাপাই
আকাশ বলিয়া
ইচাত বিচাত চিত

বতাহক পঠালে খবৰ ল'বলৈ
উকি মাৰি মাৰি গ'ল যি
উভটি নাহিল।

জোনাকক সুধিলে পৃথিৱীৰ কথা
এমোকোৱা হাঁহিৰে
দয়া সামৰিলে,

এন্ধাৰেও নকয়
পৃথিৱীৰ বতৰা।

সেয়ে উজাগৰী বিভাৱৰী
বিৰহ বেদনাত আকাশৰ দুচকু ভেদি
সৰি পৰে অশ্ৰুকণা

প্ৰিয়জনৰ আশ্ৰুধাৰাক সৰগৰ দান বুলি
পৃথিৱীয়ে আলফুলে সজাই তোলে
তাৰ সেউজ নিজম বুকুত

পিছে বাট ভেটি বৈ আছিল কণাবিধি
সূৰ্য হেনো পৃথিৱীৰ পুৰাতন প্ৰেমিক
পুৱাৰ অবুজ কিৰণজাকে আহি
নিৰ্দয়ভাৱে মচি পেলায়
আকাশ পৃথিৱীৰ আজন্ম প্ৰেমৰ সাক্ষী
সৰি পৰা মুকুতামণি

এইদৰেই প্ৰতি শৰতৰ ৰজনীত
সৰি পৰে অশ্ৰুসিক্ত
বেদনাৰ উল্কা।■

## ক্ষুধা

**ড° দীপালী বৰা**

জিগিনীলগা গধূলি এটাত
বিজতৰীয়া বতাহ এজাকে সী পেলাইছিল
জোনাকৰ গা

ধাৰাল হাঁতোৰাত বাৰে বাৰে জ্বলিছিল
তপ্তবৰ্ণী ক্ষুধাৰ জুই

উকা উদৰৰ কলমলনি এটাৰ স'তে
আন্ধাৰত পৰি ৰ'ল
এচটা চেঁচা শিল।■

## পথাৰ

**বিনী গগৈ**

ৰ'দে পোৱা পথাৰৰ
বোবা উচুপনিত
এজাক বৰষুণ নামিল

কেঁচা মাটিৰ গোন্ধ
বতাহত উৰিল
মানুহবোৰ প্ৰেমিক হৈ পৰিল পথাৰৰ।■

## মই নীলা চৰাইৰ কণ্ঠৰ প্ৰেমত পৰিছো

### পপী শইকীয়া

তাইৰ প্ৰতিটো শব্দত
মই আৱেগিক হৈ পৰো।

মনে প্ৰাণে আশা কৰো
তাইৰ স'তে মুকলি আকাশৰ বুকুত
উৰিম আজীৱন।

মই বিচাৰো
তাই মোৰ ছাঁয়াহৈ থাকক
ওৰেটো জীৱন।
অথচ ময়েচোন
তাইৰ পাছে পাছে গৈ
আৱৰ্তন কৰিছো অবিৰাম।

কেতিয়াবা অজানিতে
বৈ আহে অশ্ৰু বন্যা
হাহাকাৰ কৰি উঠে
তেজবিহীন বুকুৰ এটুকুৰা মঙহ।
হয়তো এই জনমত তোমাৰ লগৰী হৈ
উৰিব নোৱাৰিম তোমাৰ স'তে।

এতিয়া নেদেখাজনক মনে-প্ৰাণে ক'ব বিচাৰো
অহা জনমত তাই মোৰ
হৃদয়ৰ লগৰী হৈ উৰি উৰি যাব
এখন দেশৰ পৰা
অন্য এখন অচিনা দেশলৈ
নীলা চৰাই হ'ব মোৰ আজন্ম লগৰী
তাইৰ কণ্ঠ হ'ব মোৰ বাবে
স্বন্দনৰ উৎস।■

## শাওণ

### ফণীন্দ্ৰ চেতিয়া

গুণ গুণ কৰি আহিছে শাওন
আকাশত শাওন
নৈৰ বুকুত শাওন
পথাৰত শাওন

শাওনৰ গানত প্ৰাণ পাই উঠে
কৃষকৰ কেঁচা সপোন
কৰ্মঠ দুহাতত নাঙল-যুঁৱলি
সোণগলা সীৰলুত
এজাউৰী বন গীত....
"তুমি হ'বা ৰোৱনী, মই হ'ম হালোৱা
পাছে পাছে বুলাই যাম, পালি খোৱা কঠীয়া"

কুণ্ডলী পকাই আনে সেউজীয়াৰ বাতৰি
পলসুৱা পথাৰত সোণাৰুবুলীয়া ৰ'দ
আগমন এটি নতুন বেলিৰ ....

আকাশত মেঘৰ মাদল বাজে
বিজুলীয়ে নাচে
নৈয়ে পাৰ ভাঙে, গড়া খহে
এনেকৈয়ে শাওন আহে
গৰ্ভৱতী হয় শইচৰ পথাৰ
ওখল-মাখল কৃষকৰ বুকু
জীয়া সপোনবোৰ পাহি মেলে
জুনুককৈ বাজি উঠে সুখৰ তানপুৰা.....■

## বিষন্ন হৈ ৰ'ল সন্ধিয়া

### পাৰ্থপ্ৰতীম শইকীয়া

তুমি যোৱাৰ পৰত
চকুৰ ছাইবেৰিয়াত নিঃসৃত হ'ল বৰফ-বৰষুণ
আজি গোটেইটো ৰাতি
তোমাক বিচাৰি শেঁতা পৰিল
মোৰ মুখ
শ্মশান শ্মশান
মানুহ ঢাকি থোৱা পৃথিৱী
সুকুমল ফুলৰ পাহিয়ে পাহিয়ে
তোমাৰ মৰ্ম বন্যা
বহু হৃদয় মন্দিৰে মন্দিৰে
তোমাৰ প্ৰাৰ্থনা চাকি
শিলৰ বুকুত লাহে লাহে
তোমাৰ শৰীৰৰ লাইকেন গজিব
ছাঁ পৰি আঁহবোৰে মোক সোঁৱৰাব
গঢ়ি উঠা চিৰন্তন সম্পৰ্ক
বিস্তৰ মৰু প্ৰান্তৰ জুৰি
হাজাৰ ধুমুহাত এজোপা গছে পূৰ্ণতা পালে
মই হাৰিকেন জ্বলাই গধূলি এটাৰ আগেদি
অহা-যোৱা কৰিছোঁ
বিষন্ন হৈ গ'ল সন্ধিয়া।■

## সহজ কবিতাটি

### অনুপ অসমীয়া

বৰ সহজ কবিতাটি
তোমাক এবাৰ দিনাখন লিখা।
সেই দিনা ক'ব থাকিল
তোমাৰ-মোৰ আধৰুৱা কাহিনী
হেমন্ত কালত ফুলি উঠা
সেউজীয়া ৰং
অত্যন্ত ভাল পোৱাৰ গুণগুণ গান.... !!■

## আমি লগ হ'ম এদিন

### ঋতুবাস্তৱ হাজৰিকা

আমি লগ হ'ম এদিন
যি পৰত নৈখন নীৰৱে ব'ব
যি পৰত ৰাতিৰ জোনটো ওলমি ৰ'ব
ব্যস্ততা সামৰি পৃথিৱী কোলাহল শূন্য হ'ব
ঠিক সেই পৰতে লগ হ'ম আমি

আমি ল'গ হ'লে যি কথা পাতো
সেই কথাই পাতিম
পাহাৰৰ সিপাৰৰ নৈখনৰ কথা
এৰা পৰলীয়া বাৰী খনৰ কথা
মমতাজ-শ্বাহজাহানৰ পৰা
ৰুমিঅ' জুলিয়েটলৈ ক'ত যে কথা !

যুদ্ধৰ দিনবোৰত লেঠীয়া পত্নীৰ কাষত
কিয় নাথাকে এজন সৈনিক
দুখৰ দিনবোৰত কিয় নাথাকে
আপোনাৰ আপোন মানুবোৰ কাষত
সেই কথাও পাতিম

আমি লগ হ'লে উদ্‌ঘাটন কৰিম
জয়াল বৰ পুখুৰীৰ গুপুত কথা
মাছবোৰ প্ৰকৃততেই ৰূপোৱালী নে
মহাজনে কোৱা কথাই সঁচা !■

## আৱৰ্জনাৰ সংজ্ঞা নিমিলে তোমাৰ আৰু মোৰ

### ভাস্কৰজ্যোতি চুতীয়া

আৱৰ্জনা সংজ্ঞা নিমিলে তোমাৰ মোৰ
মই কওঁ, বাৰীৰ পিছফালে কাটি যোৱা শুকান ঘাঁহ লতাবোৰ
তুমি কোৱা, তোমাৰ চুলিকোচাৰ কাটি পেলোৱা আগটো
থ্ৰেডিং কৰি পেলাই দিয়া চেলাউৰি,
মই কওঁ চেপি চেপি বুকু উদং হোৱা চেম্পুৰ পেকেটবোৰ
তুমি কোৱা বকুলৰ সৰাপাত আৰু ফুলবোৰ
সৰা গোলাপৰ পাহি আৰু কাঁইটবোৰ,
কিন্তু তুমিটো নাজানা
গোলাপৰ বাবে কাঁইটবোৰ নিৰাপত্তাৰ অংকুশ
মই কওঁ মনৰ পৰিৱৰ্তনৰ কথা আৰু....
তুমি কোৱা মোলৈ দেখাই
আৱৰ্জনা, আঙুলীৰ পাবত গজা আন এটি আঙুলী
"তোমাৰ হাতৰ বুঢ়া আঙুলীত থকাৰ দৰে,"
ক'তা মই দেখোন আমনি পোৱা নাই তাক লৈ কেতিয়াও
মই ক'লো দেউতাৰ পুৰণা হোৱা কাপোৰবোৰ
তুমি ক'লা দেউতাক বৃদ্ধাশ্ৰমত থোৱা কথা
বৃদ্ধাৱস্থা নাহিব জানো আমৰো ?
আচলতে আৱৰ্জনা সংজ্ঞা নিমিলে তোমাৰ আৰু মোৰ,
চিকুণকৈ কাটি ৰাখোঁ মই নখবোৰ
দীঘলকৈ নেইলপলিচ লগাই ৰখা তুমি,
মই কওঁ আচলতে ডাষ্টবিন বোৰেই ডাষ্ট
তুমি কোৱা ডাষ্টবিন চাফা কৰা কৰ্মচাৰী কেইটা লেতৰো।

## পানী যাৰ বেদনা

### পাৰিজাত বৰুৱা

আশাই ফেঁহুজালি দিয়াৰ পৰত
জীৱনৰ আলিকেঁকুৰিত সহস্ৰ কবিতাই
দেও দি ফুৰিছিল
আগোচৰ দৃষ্টিৰ অলক্ষিত বানত
এতিয়া উটি গৈছে কবিতাৰ অশৰীৰী কায়া
পানীপৰঠুৱা মনত ভিৰ কৰিছেহি
এজাক পানীপিয়াই
এসাগৰ পানীৰ মাজত এটোপাল পানীৰ হাহাকাৰ
পানী ঘাবোৰে আবুকু দহিছে
পানীপিঠাৰ বাবে লাগে
একাঁজলি খুদচাউল
এতিয়া আৰু নদী নালাগে
নালাগে পাৰভঙা বাৰিষা
একুৰিয়ামৰ মাছ হৈও জিলিকিব পাৰে
জীৱনৰ সোণালী কবিতা
লাগে অকণমান পানী
অকণমান উশাহ
অকণমান বিজুলী আহাৰ
উঠিলেও উঠক উজ্বলি
কোনোবা সুজনৰ বৈঠক খানাত
কবিতাৰ সোণালী ফিচা
যদিহে মমতাই পৰশে
তোমাৰ মোৰ পানীপিপলী পেন্দুকণা হেঁপাহ
জীৱন জীয়াবলে এখুদ ভৰসা।।■

## পথাৰ

### কল্পনা বৰুৱা

পথাৰ ...
হে বিশাল পথাৰ
উৰ্বৰতা অন্য নাম তোমাৰ
তোমাৰ বুকুতে সৃষ্টিৰ বুনিয়াদ
জীৱন উত্তৰণৰ অনুপম সম্ভাৰ

তোমাৰ বাবেই
পিতাইৰ দুচকুত
সপোনৰ গজালি
সেউজীয়াৰ আকাশ

শাওণৰ বৰষুণত
বোকামাটিৰ সুগন্ধি।
গাখীৰতি আহিনৰ সুবাস
আঘোণৰ সোণালী পোছাক।

পথাৰ ...
নৈপৰীয়া বতাহজাকে
তোমাৰ বুকুত ঢৌ খেলে
সপোনে ঘৰ সাজে
দুচকুত ৰ'দে হাঁহে
একা-বেঁকা আলিয়েদি
ৰামধেনুৰ ভঁৰাল গঢ়ে

পথাৰ ...
হে পথাৰ...
তোমাৰ বুকুতে আনন্দ-বিষাদ
তোমাৰ বুকুতে প্ৰাপ্তিৰ সোৱাদ
তুমিয়েই আমাৰ প্ৰাণ
তোমাৰ বুকুতে আমাৰ জীৱনৰ গান
সেউজীয়া ... সেউজীয়া ...
কেৱল সেউজীয়া ... ।■

## ঢল

### উজ্জ্বল স্মৰণ দত্ত

বৰষাৰ বোকোচাত ঢল আহে
চপৰা-চপৰে খহে গৰা
নৈপৰীয়া প্ৰাণৰ
কন কঠিয়া মৰে।
নদীত উটে ভাহে প্ৰাণ
ঢলত উদং হয় সপোন।
চাপৰত চাপৰি বজায়
বুকুৰ কলিজা শুদা কৰি
শূন্যতাৰ পৰা শূন্যলৈ
অবিৰাম চলে লেখ
জীৱনৰ বাখৰুৱা ৰঙৰ।■

## শাওণ

### ড° ৰীতা কুমাৰী বৰা

শাওণৰ গধুৰ মেঘবোৰ
মোৰ চোতাললৈ নামি আহিছে
নিশা ফুলা নিশিগন্ধাৰ আমোলমোল গোন্ধটো
মেঘক ধিয়াই ঢাপলি মেলিছে
সোনকালে আহা
মেঘৰ কণা আৰু নিশিগন্ধাৰ সুবাসে
লগ লাগি চোতালখন ধুৱাই পেলাব
তাৰ আগেয়ে আমিবোৰ
শাওণৰ বৰষুণত তিতো।■

# গোলাঘাট সদৰ কবি সন্মিলনৰ হীৰুদাৰ সোঁৱৰণী অনুষ্ঠান অনুষ্ঠিত

যোৱা ৪ জুলাইত গোলাঘাট সদৰ কবি সন্মিলনৰ উদ্যোগত সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্যদেৱৰ পঞ্চম বাৰ্ষিকী সোঁৱৰণী অনুষ্ঠানটি আবৃত্তি, আলেখ্য, আলোকপাত আৰু গীতেৰে গোলাগাট বেঙেনাখোৱাস্থিত। নৰ্থ ইষ্টাৰ্ন টি এচ চিয়েচন সভাগৃহত এক বৰ্ণিল কাৰ্যসূচীৰ অনুষ্ঠিত হৈ যায়। সদৰ কবি সন্মিলনৰ সম্পাদক দীক হেষ্টিংছ্ বৰিয়ে সমবেত সকলো কবি অতিথিক আদৰণি জনোৱাৰ পিছতেই হীৰুদাৰ প্ৰতিচ্ছবিৰ সমুখত এগছি বন্তি প্ৰজলন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱাই। লগে লগে সমবেত সকলোৱেই হীৰুদাৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি যাঁচি অসমীয়াৰ প্ৰাণৰো প্ৰাণৰ মহান কবি গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়।

# শদিয়াত বহুভাষিক কবি সন্মিলন

সদৌ অসম কবি সন্মিলনৰ উদ্যোগত আৰু তিনিচুকীয়া জিলা কবি সন্মিলনৰ সহযোগত শদিয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অতিথ্যত ৫ আগষ্টত এখন বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। কবি সন্মিলনৰ সভাপতি নীলকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কবি সন্মিলনখন সঞ্চালনা কেৰ কবি সন্মিলনৰ প্ৰাক্তন সভাপতি ড° মানিক শইকীয়াই। প্ৰায় দুই শতাধিক কাব্যপ্ৰেমীৰ উপস্থিতিত অনুষ্ঠিত হোৱা অনুষ্ঠানৰ আৰম্ভণিতে সন্মিলনৰ প্ৰধান সম্পাদক তথা কবি উজ্জ্বল পাওঁগামে অভ্যাসগতসকলক আদৰণি জনাই বক্তব্য আগবঢ়ায়। বহুভাষিক কবি সন্মিলনখনত বিশিষ্ট কবি অজিৎ গগৈ, ৰীতা বৰুৱা, ৰিজুমণি শইকীয়া তামুলী, কৌস্তভমণি দত্ত শইকীয়া, বিশাল অনুৰাগ, মনোৰঞ্জন বৰগোহাঁই, মানিক ফুকন, হিতেশ গগৈ, ৰঞ্জন কুমাৰ মহন্ত, অৰূপ চাংমাই, বাব্‌লু প্ৰসাদ বৰুৱা, পাৰ্থপ্ৰতীম শইকীয়া, ৰতন বড়া, মদিৰা শইকীয়া ভূএগ, ৰীণা দত্ত আদিকে প্ৰমুখ্য কৰি প্ৰায় অৰ্ধ শতাধিক কবিয়ে কবিতা পাঠ কৰে। শদিয়া মহাবিদ্যালদয়ৰ অধ্যক্ষ ড° হৰিগোবিন্দ বৰকাকতীয়ে উদ্বোধনী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে তিনিচুকীয়া জিলা কবি সন্মিলনৰ সভাপতি হিতেশ গগৈ আৰু শদিয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ভুৱন চন্দ্ৰ গগৈয়ে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ দুটি কালজয়ী গীত পৰিৱেশনেৰে সৌষ্ঠৱ বৃদ্ধি কৰা অনুষ্ঠানত জিলা সম্পাদক সুৰেন্দ্ৰ শদিয়াই শলাগ জ্ঞাপন কৰে।

# 'কবিতা কোঁৱৰ'ৰ সোঁৱৰণত বঁটা ঘোষণা

সদৌ অসম ভিত্তিত 'কবিতা কোঁৱৰ' অম্বেশ্বৰ চেতিয়া ফুকন সোঁৱৰণী বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে সদৌ অসম কবি সন্মিলনৰ চৰাইদেউ জিলা সমিতিয়ে। যোৱা ৬ সোণাৰিত অনুষ্ঠিত সদৌ অসম কবি সন্মিলনৰ চৰাইদেউ জিলা সমিতিৰ জৰুৰী কাৰ্যনিৰ্বাহক বৈঠকতে এই গুৰুত্বপূৰ্ণ সিদ্ধান্তটো লোৱা হয়। সোণাৰিৰ ভগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চৰাইদেউ কবি সন্মিলনৰ সভাপতি সিদ্ধাৰ্থ দত্তৰ সভাপতিত্বত আয়োজিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰুস্তম গগৈয়ে। সভাত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰাজীৱ দত্ত বৰা, কবি গীতিমণি হাতীমুৰীয়া, সাপেখাতী কবি চক্ৰৰ সভানেত্ৰী ৰূপামণি গগৈ, বৰহাট কবি চক্ৰৰ দীচেন গগৈ, ভজো কবি চক্ৰৰ সভানেত্ৰী কল্পনা বৰুৱা, মিণ্টু তাঁতী আদিয়ে বক্তব্য আগবঢ়ায়।

# জাঁজীত শব্দৰ হেন্দোলনি শীৰ্ষক কবি সন্মিনৰ সম্পন্ন

কবিতা হৈছে হৃদয়ৰ দাপোন। সেয়ে কবিতা লিখা মানুহে বেয়া কাম কৰিব নোৱাৰে। এই মন্তব্য বিশিষ্ট কবি উজ্জ্বল পাওগামৰ। যোৱা ২৩ জুলাইত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয় প্ৰেক্ষাগৃহত জাঁজী কবি সন্মিলনৰ উদ্যোগত অনুষ্ঠিত হোৱা 'শব্দৰ হোন্দোলনি' শীৰ্ক এক কবি সন্মিলনত অংশ লৈ সদৌ অসম কবি সন্মিলনৰ সম্পাদক উজ্জ্বল পাওগামে এনেদৰে কয়। বিশিষ্ট কবি তথা অসম কবি সন্মিলনৰ প্ৰাক্তন সভাপতি প্ৰেম গগৈৰ সঞ্চালনাত অনুষ্ঠিত কবি সন্মিলনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে সু-লেখিকা তথা কবি দিপ্তীময়ী বুঢ়াগোহাঁই গগৈয়ে। কবি প্ৰেম গগৈয়ে বন্তি প্ৰজ্জ্বলনেৰে আৰম্ভ কৰা কবি সন্মিলনত সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সম্পাদক গংগামোহন মিলিও উপস্থিত থাকে। অনুষ্ঠানত ড° জীৱন কলিতা, ড° কৃষ্ণকান্ত সন্দিকৈ, ৰাজীৱ বৰদলৈ প্ৰমুখ্যে বহু ন-পুৰণি কবিয়ে কবিতা পাঠ কৰে। প্ৰায় ৪০ গৰাকী কবিয়ে নিজৰ কবিতা পাঠ কৰা অনুষ্ঠানৰ আঁত ধৰে প্ৰতাপ কুমাৰ বৰুৱাই। এই অনুষ্ঠানত বিশিষ্ট কবি সাহিত্যিক ব্ৰজেন দাসৰ সম্পাদনা আৰু সাংবাদিক প্ৰান্তিক শৰ্মাৰ ব্যৱস্থাপনাৰে সজোৱা ত্ৰৈমাসিক কাব্যালোচনী 'সঁজাল'ৰ তৃতীয় সংখ্যা উন্মোচন কৰা হয়। জাঁজী কবি সন্মিলনৰ তৰফৰ পৰা সভাপতি সঞ্জীৱ দত্ত আৰু সম্পাদক কুন্তলা কল্যাণী সন্দিকৈয়ে অংশগ্ৰহণকাৰী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# ধনশিৰি মহকুমা কবি সন্মিলনৰ দ্বাৰা আয়োজিত অনুষ্ঠান ঃ

যোৱা ২৬ জুন ২০১৭ তাৰিখে বৰপথাৰ কনিষ্ঠ মহাবিদ্যালয় প্ৰাঙ্গণত ধনশিৰি মহকুমা কবি সন্মিলৰ সৌজন্যত এক গ্ৰন্থ আৰু উন্মোচন আৰু কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। সম্পাদক ড° প্ৰণৱ ঢেকিয়াল ফুকনে আঁত ধৰা, সভাপতি দিলীপ কুমাৰ শৰ্মাই সঞ্চালনা কৰা অনুষ্ঠানত উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি তথা গোলাঘাট জিলা কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱা আৰু কেন্দ্ৰীয় সমিতিৰ তথা গোলাঘাট জিলা কবি সন্মিলনৰ সম্পাদক পাৰ্থ প্ৰতীম শইকীয়া। সভাত কবি যোগেন্দ্ৰনাথ শৰ্মাৰ তৃতীয়খন কাব্যগ্ৰন্থ বাৰিষা উন্মোচন কৰে দেওপানী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মুহি বৰুৱাই।

## শব্দ তেজৰ নদী

**বিজয় গগৈ**

তোমাৰ শব্দৰ তেজৰ নদীত
সাঁতুৰিব খোজো মই প্ৰতিটো নিশা।
প্ৰত্যেকটো আন্ধাৰ কোঠাত
খেপিয়াই ফৰো নিৰ্জনতা, কেৱল নিৰ্জনতা।
বাৰিষা আহিলেই
শব্দৰ তেজৰ নদী গৰ্ভৱতী হয়
বিষাদৰ বৰযুণজাকত পানীবোৰ
হৈ পৰে পলসুৱা।
পলস পেলাই সাৰুৱা কৰে
জীৱনৰ বাঙ্ময় বৃস্তীৰ্ণ পথাৰ।
ৰংহীন জীৱনৰ ছবিত তুলিকা বুলাই
পথাৰবোৰ হৈ পৰে চিৰ সেউজীয়া।
আকৌ কেতিয়াবা;
গৰ্ভৱতী শব্দৰ তেজৰ নদী
প্ৰসৱ বেদনতাত ফাটি পৰে,
দুকুল উপচাই বুৰাই পেলায়
হেঁপাহৰ প্ৰতিটো ৰৌদ্ৰজ্জ্বল পুৱা
বৃস্তীৰ্ণ সেউজীয়া পথাৰবোৰ হৈ পৰে
কৃত্ৰিম জলাশয়।
জলাশয়ত ডুবিমৰে প্ৰতিটো তৃষা।
এতিয়া তোমাৰ শব্দৰ তেজৰ নদীত
সাঁতুৰিব খোজা মই প্ৰতিটো নিশা।
প্ৰত্যেকটো আন্ধাৰ কোঠাত
খেপিয়াই ফুৰো নিৰ্জনতা কেৱল নিৰ্জনতা।■

## জোনাকী পৰুৱা

**সোণমাই গগৈ**

মুনি-চুনি বেলিকা
তুমি বাৰু ক'ত লুকালা

জিলমিল জিলমিল
জোনাকী পৰুৱা
আকাশৰ জোনৰ সৈতে তুমি
কিনো কথা পাতা

আন্ধাৰৰ বাট ফালি
কুঁৱলী ফাকেৰে আহি
সৰগৰ পৰীৰ দৰে
তুমিও সদায় থাকা জিলিকি

জনোৱা জগতৰ খবৰ
উজ্বল কৰা এই বতৰ;

আমিও যাওঁ তোমাৰ সৈতে আগবাঢ়ি
তোমাৰেই ইতিহাস আমিও লওঁ হাতত
তুলি,
তুমি হ'বা আমাৰ চানেকি
সেই চানেকিয়ে আমিও হ'ম
এপাহি ফুল বাচি

তুমিয়েই আমাৰ আন্ধাৰৰ সাৰথি
সকলোৰে খবৰ তুমি ৰাখা সামৰি
কোন দেশলৈ যোৱা দুপাখি মেলি
মাতিম তোমাক সদায় হাত বাউলী
অ'.... জোনাকী, অ' জোনাকী...।■

## উকমুকনি

**স্বপ্নদ্বীপ দেৱজিৎ**

(ক)
দেহৰ ৰন্ধ্ৰে ৰন্ধ্ৰে শিপাই
অবুজন কলিজাৰ
নষ্ট আবেগ,

(খ)
চিকুণ যেন লগা অবয়ৱত
এটুকুৰা ঘাঁ হৈ
যন্ত্ৰণাই উকমুকাই,

(গ)
মোৰেই পক্ষী
মোৰ বুকুতে বিস্তা
ত্যাগ কৰি গুচি যায়।■

## সুখ

**সীমা বৰুৱা**

বৈ বৈ কুৰুৱাই কান্দিছে
তামোলৰ ঢকুৱাত মোৰ সুখ
পিতাইৰ কামিহাড়ৰ বিষত মোৰ সপোন নিগৰে
পনামুখ ৰাজকুঁৱৰীৰ অপেক্ষাত অধীৰ
এখুজি-দুখুজি খোজ
আইৰ এধানমান পৃথিৱীৰ সুখৰ লেছেৰি মোৰ দুয়োখন হাতত
কেঁকুৰা দোলাত সুখ জুকিয়াওঁ
ৰাজকোঁৱৰ মগ্ন বিভাৱৰী ৰাতিৰ স্বপ্নৰ আখৰাত
মোৰ চকুৰ আগত জিলিকি থাকে পিতাইৰ কপালৰ তিনিডাল
ৰেখা
কঁপি কঁপি মোৰ পিঠিত পৰা আইৰ অলস
হাতখনৰ ওভতা চিঙা আঙুলিৰ খহতা স্পৰ্শ
মই হাঁহো
আইয়েও হাঁহি উঠে
মই মিচিকিয়াও
পিতাইয়েও মিচিকিয়াই উঠে
ৰাজকোঁৱৰ দৰদামত ব্যস্ত
জীৱনৰ...■

# সদৌ অসম কবি সন্মিলনৰ ২০১৭-১৯ বৰ্ষৰ প্ৰথম কাৰ্যনিৰ্বাহকত লোৱা সিদ্ধান্ত আৰু প্ৰথম বৰ্ষৰ কৰ্মসূচী

১। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ বাবে ভূমি সংগ্ৰহ আৰু কাৰ্য্যালয় নিৰ্মাণৰ ব্যৱস্থা কৰা।

২। জিলা আৰু শাখাসমূহেও ভূমি সংগ্ৰহ কাৰ্য্যালয় নিৰ্মাণৰ ব্যৱস্থা কৰা।

৩। প্ৰতিখন জিলা আৰু শাখাই বেংক একাউণ্টৰ ব্যৱস্থা কৰা

৪। প্ৰতিখন জিলা শাখা বা শাখাই দায়িত্ব লাভ কৰা কেন্দ্ৰীয় কাৰ্যসূচীসমূহ সুচাৰুৰূপে পালন কৰা।

৫। সদৌ অসম কবি সন্মিলন প্ৰতিষ্ঠা দিৱস আৰু প্ৰতিষ্ঠাপক সভাপতি, পৃথিৱীৰ কবি ৰাম গগৈৰ স্মৃতি দিৱস প্ৰতিখন জিলা শাখা আৰু শাখাতে পালন কৰিব।

৬। প্ৰতিষ্ঠাপক সভাপতি, পৃথিৱীৰ কবি ৰাম গগৈৰ কবিতা সমগ্ৰ প্ৰকাশৰ ব্যৱস্থা কৰা।

৭। 'সদৌ অসম কবি সন্মিলন'ৰ ৱেব চাইট নিৰ্মাণ

৮। প্ৰতিখন জিলা শাখা আৰু শাখাই **৩০** ছেপ্টেম্বৰ ভিতৰত সদস্য ভৰ্তি আৰু নবীকৰণৰ প্ৰপত্ৰ জমা দিব।

৯। শাখা আৰু জিলা শাখাৰ সদস্য ভৰ্তি আৰু নবীকৰণৰ বাবদ পাব লগা বৰঙণিৰ অংশ কেন্দ্ৰীয় কাৰ্যালয়ে চেক যোগে প্ৰেৰণ কৰিব।

১০। প্ৰতিজন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে **১** মাহৰ ভিতৰত **৩** জন আজীৱন সদস্য আৰ **৩** জন শুভাকাংখীৰ পৰা স্থানীয় পুঁজিৰ বৰঙণি সংগ্ৰহ কৰিব।

১১। স্থায়ী পুঁজিৰ বাবে বিভিন্ন কেন্দ্ৰীয় কাৰ্যসূচীত 'বৰঙণি বাকচ'ৰ যোগেদি বৰঙণি সংগ্ৰহ কৰা

১২। কবি কল্যাণ পুঁজিৰ বাবে প্ৰতিজন সদস্যৰ পৰা **১০০** টকাকৈ সংগ্ৰহ কৰা।

১৩। যিকোনো বৰঙণি সংগ্ৰাহকে বৰঙণি সংগ্ৰহ কৰাৰ **১৫** দিনৰ ভিতৰত কেন্দ্ৰীয় সমিতিৰ পুঁজিত জমা দিয়াতো বাধ্যতামূলক।

১৪। শাখা আৰু জিলা সমিতিয়ে **১০** জন সদস্য বা শুভাকাংখীৰ পৰা স্থায়ী পুঁজিৰ বাবে বৰঙণি সংগ্ৰহ কৰিব।

১৫। প্ৰতিটো শাখাই কাব্যপত্ৰিকা "নতুন কবিতা" ১৫ টা কপি আৰু ছমহীয়া মুখপত্ৰ "সমলয়'ৰ ১০ টা কপি ক্ৰয় কৰাটো বাধ্যতামূলক।

১৬। জিলা সমূহে "নতুন কবিতা" ২৫ টা কপি আৰু "সমলয়" ২০ টা কপি ক্ৰয় কৰিব লাগিব।

১৭। সন্মিলনে প্ৰকাশ কৰা গ্ৰন্থৰ জিলা বা শাখাই কমেও **৫** খনকৈ গ্ৰন্থৰ বিক্ৰীৰ ব্যৱস্থা কৰিব লাগিব।

১৮। প্ৰতিখন শাখাই নুন্যতম ১০ জন আজীৱন সদস্য ভৰ্ত্তি কৰোৱাটো বাধ্যতামূলক। জিলাসমূহে ২০ জন আজীৱন সদস্য ভৰ্ত্তি কৰাব লাগিব।

১৯। কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ **১** মাহৰ ভিতৰত উদযাপন সমিতিয়ে হিচাব দাখিল কৰিব লাগিব। ৰাহিহোৱা ধনৰ এটা অংশ আয়োজক জিলা বা শাখাৰ পুঁজিত জমা হোৱাৰ বিপৰীতে বাকী ধন কেন্দ্ৰীয় পুঁজিত জমা হ'ব।

২০। কেন্দ্ৰীয় কাৰ্যসূচীত কবিতা পাঠৰ অনুষ্ঠানত স্থানীয় নিৰ্বাচিত **১৫** জন, আমন্ত্ৰিত কবি **১০** জন আৰু কাৰ্যনিৰ্বাহক সদস্যৰ মাজৰ পৰা **৫-১০** জনে কবিতা পাঠ কৰিব। (কেৱল কবিতাৰ অনুষ্ঠান হ'লে কিছু সলনি হ'ব)।

২১। নতুন কবিতাত প্ৰতিজন সদস্যৰ কমেও একোটাকৈ কবিতা প্ৰকাশ কৰাৰ চেষ্টা কৰা। জিলাসমূহৰ সভাপতি/সম্পাদকে শাখাসমূহৰ পৰা কবিতা সংগ্ৰহ কৰি নতুন কবিতাৰ সম্পাদকলৈ প্ৰেৰণ কৰিব। প্ৰতিটো শাখালৈ সম্পাদনা সমিতিয়ে 'নতুন কবিতা' প্ৰেৰণ ব্যৱস্থা কৰিব। ৰুস্তম গগৈ, সম্পাদক, নতুন কবিতা, ম'বাইল নং-**৯৯৫৭৯১১৬৩৪**, email-natunkabita123@gmail.com

২২। এতিয়ালৈকে অধিৱেশন সম্পন্ন নকৰা শাখা আৰু জিলা সমিতি সমূহে অধিৱেশন সম্পন্ন কৰা। মূল দ্বি-বাৰ্ষিক অধিৱেশনৰ তিনি মাহৰ আগত জিলা শাখা আৰু শাখাসমূহৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিব।

২৩। আগন্তুক প্ৰতিষ্ঠা দিৱসত সদৌ অসম কবি সন্মিলনৰ **প্ৰথম কাৰ্যনিৰ্বাহকৰ সকলো সদস্য, সদস্যাক** সম্বৰ্ধনা জনোৱাৰ ব্যৱস্থা কৰা।

২৪। কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ প্ৰতিজন সদস্যই সন্মিলনৰ প্ৰসাৰ আৰু প্ৰচাৰৰ চিন্তা কৰা। নতুন শাখা গঠনত গুৰুত্ব দিব। যি সমূহ শাখা আছে কাৰ্যক্ষম কৰি ৰাখিব।

২৫। সদৌ অসম কবি সন্মিলনক অসমৰ আদৰ্শ সংগঠন হিচাপে গঢ়ি তোলাত গুৰুত্ব দিয়া।

২৬। স্থানীয় বিশিষ্ট প্ৰয়াত কবিসকলৰ স্মৃতিত জিলা বা শাখাসমূহে অনুষ্ঠান পালন কৰিব।

২৭। সন্মিলনৰ সংবিধান অবমাননা কৰা কোনো ব্যক্তিক সন্মিলনৰ কোনো অনুষ্ঠানলৈ মাতিব নোৱাৰিব ।

২৮। কবি সন্মিলনৰ কোনো সদস্যই কবি সন্মিলনৰ বিৰুদ্ধে চচিয়েল মিডিয়াত কোনো বক্তব্য ৰাখিব নোৱাৰিব। কিবা সমস্যাৰ সৃষ্টি হ'লে বা জানিবলগীয়া থাকিলে পোনপটীয়াকৈ প্ৰধান সম্পাদকৰ লগত যোগাযোগ কৰিব।

২৯। প্ৰতিখন শাখাই কাব্য পত্ৰিকা বা আলোচনী প্ৰকাশ ব্যৱস্থা কৰিব।

৩০। প্ৰতিখন জিলা শাখা বা শাখাই মাহেকত কমেও এখনকৈ অনুষ্ঠান আয়োজন কৰাৰ কথা চিন্তা কৰিব।

৩১। শাখাসমূহে জিলা অধিবেশনৰ আগে আগে বছৰেকীয়া কাৰ্যকলাপৰ বিৱৰণী আৰু বছৰেকীয়া আয়-ব্যয়ৰ হিচাপ দিলেহে জিলা অধিবেশনত অংশগ্ৰহণ কৰিব পাৰিব।

৩২। প্ৰতিখন শাখাত নিম্নতম **৩০** জন সদস্য থাকিব লাগিব। প্ৰতিখন শাখাৰ পৰা কেন্দ্ৰীয় কাৰ্যসূচীত **১৫** জনৰ বিপৰীতে এজন সদস্যইহে প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিব পাৰিব।

৩৩। শাখা আৰু জিলা কাৰ্যনিৰ্বাহক গঠন কৰোতে সাংবিধানিক নীতি-নিয়ম মানি চলাতো বাধ্যতামূলক।

৩৪। জিলা সমিতিৰ স্বীকৃতি পাবলৈ হ'লে নুন্যতম পাঁচখন শাখা থাকিব লাগিব। পাঁচখনতকৈ কম শাখা থকা জিলা শাখাক, জিলা শাখা হিচাপে গণ্য কৰা নহ'ব।

৩৫। কোনো শাখাই কোনো অনুষ্ঠানৰ আয়োজন কৰিলে সংশ্লিষ্ট জিলাক আগতীয়াকৈ অৱগত কৰাটো বাধ্যতামূলক।

৩৬। কোনো জিলা শাখাই কোনো অনুষ্ঠানৰ আয়োজন কৰিলে কেন্দ্ৰীয় কাৰ্যালয়ক আগতীয়াকৈ অৱগত কৰাটো বাধ্যতামূলক।

৩৭। প্ৰতিখন জিলা শাখা আৰু শাখাই সদৌ অসম কবি সন্মিলনৰ হিতৈষী, আজীৱন আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্যসকলক যথাযোগ্য সন্মান আগবঢ়াব।

৩৮। প্ৰতিখন জিলা শাখাই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকলৈ মনোনীত সদস্য হিচাপে এজন ব্যক্তিৰ নাম প্ৰস্তাৱ কৰিব পাৰিব। মনোনীত সদস্যৰ নাম অহা৫ আগষ্টৰ আগত দিবলৈ অনুৰোধ জনোৱা হ'ল। মনোনীত সদস্যজনৰ অসহযোগিতাৰ বাবে প্ৰস্তাৱক দায়বদ্ধ থাকিব।

৩৯। কবিতা উৎসৱত অংশগ্ৰহণ কৰিবৰ বাবে প্ৰতিখন জিলা শাখাই-**২** আৰু শাখাই-**১** জনকৈ কবিৰ নাম আগবঢ়াব। অহা **৩০** আগষ্টৰ আগত অংশগ্ৰহণকাৰী কবিৰ নাম পঠিয়াব লাগিব। যোগাযোগ, দেৱশ্ৰী হাজৰিকা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক, ম'বাইল নং-**৮১৩৪৮৯৬৪৪৫**।

# সদৌ অসম কবি সন্মিলনৰ নৱতম সংযোজন..

**কবি কল্যাণ পুঁজি ঃ**

কবি কল্যাণ পুঁজিৰ বাবে আগবঢ়োৱা বৰঙণি সন্মিলনৰ কবি কল্যাণ পুঁজিত জমা হ'ব। 'কবি কল্যান পুঁজি'লৈ কবি সন্মিলনৰ সদস্যসকলে প্ৰতিবছৰে নিম্নতম **১০০** টকাকৈ আগবঢ়াব লাগিব। কবি কল্যাণ পুঁজিলৈ বৰঙণি আগবঢ়োৱা সদস্যসকলৰ বৰঙণি 'কবি কল্যাণ পুঁজি'ত জমা হোৱাৰ **৩৬৫** দিনৰ (বছৰৰ) ভিতৰত কোনো দূৰাৰোগত আক্ৰান্ত হ'লে সন্মিলনে এককালীন সাহাৰ্য আগবঢ়াব।

**স্থায়ী পুঁজি ঃ**

কাৰ্যালয়ত উক্ত ধন জমা হোৱাৰ লগে লগে কাৰ্যালয়ে পকা ৰছিদ প্ৰেৰণ কৰিব। তিনি মাহৰ ভিতৰত বৰঙণি আগবঢ়োৱাসকলে কৃতজ্ঞতাপত্ৰ আৰু পকা ৰছিদ নাপালে প্ৰপত্ৰৰ ক্ৰমিক নং, ধন দিয়াৰ তাৰিখ আৰু সংগ্ৰাহকৰ নামসহ সন্মিলনৰ প্ৰধান সম্পাদকৰ লগত যোগাযোগ কৰিব। স্থায়ীপুঁজিৰ বাবে আগবঢ়োৱা বৰঙণি সন্মিলনৰ স্থায়ীপুঁজিত জমা হ'ব। স্থায়ীপুঁজিলৈ নিম্নতম **১০০০** টকা আগবঢ়াব লাগিব। স্থায়ীপুঁজিলৈ বৰঙণি আগবঢ়োৱাসকলৰ নাম পৰ্য্যায়ক্ৰমে মুখপত্ৰ 'নতুন কবিতা' আৰু 'সমলয়ত' প্ৰকাশ কৰা হ'ব। তাৰোপৰি দ্বি-বাৰ্ষিক অধিৱেশনত স্থায়ী পুঁজিলৈ বৰঙণি-আগবঢ়োৱাসকলৰ নাম-ঠিকনা সন্নিৱিষ্ট এখন গ্ৰন্থ প্ৰকাশ কৰাৰ ওপৰিও কৃতজ্ঞতাসূচক পত্ৰ আৰু কবি সন্মিলনৰ স্মাৰক আগবঢ়াব।

**কবিতা উৎসৱঃ**

কেৱল কবিতা (তিনিদিনীয়া কাৰ্যসূচী)

**কাব্যচৰ্চা ঃ**

যুৱ কবিৰ কবিতা পাঠ আৰু পৰ্য্যালোচনা

**কাব্যশিল্প ঃ**

প্ৰতিষ্ঠিত কবিৰ কবিতা পাঠ আৰু আলোচনা

**কাব্যচিন্তন ঃ**

কবিতা বিষয়ক বক্তৃতানুষ্ঠান।

(উজ্জ্বল পাওগাম)
প্ৰধান সম্পাদক



## নিসংগতা

**আৰতী দেৱী**

নিসংগতাই মোৰ সখীত্ব
যাৰ লগত কটাও অহোৰাত্ৰ
বোৱাই দিয়ে শান্তিৰ নিজৰা
য'ত থাকে
জীৱনৰ অন্তৰা।

নিসংগতাই কদাপি নানে শূন্যতা
আনে জীৱনৰ পূৰ্ণতা
নাশ কৰে মনৰ দুৰ্বলতা
গঢ়ি তোলে মানসিক দৃঢ়তা
জাগ্ৰতা কৰে এটি পুৰঠ মস্তিষ্কৰ
পৰিচয় দিয়ে জীৱন মহত্বৰ।■

# সদৌ অসম কবি সন্মিলন ২০১৭-১৮ বৰ্ষৰ কৰ্মসূচী

| | | |
|---|---|---|
| ১। | ১৬ জুলাই, ২০১৭ | ঃ প্ৰথম কাৰ্যনিৰ্বাহক |
| ২। | ৫ আগষ্ট, ২০১৭ | ঃ বহুভাষিক কবি সন্মিলন ঃ *সহযোগত তিনিচুকীয়া জিলা কবি সন্মিলন, শদিয়া মহাবিদ্যালয়।* |
| ৩। | ১০ আগষ্ট, ২০১৭ | ঃ কাব্যচিন্তন ঃ বক্তা— *সাহিত্যৰত্ন ড° নগেন শইকীয়া* |
| ৪। | ১৮ আগষ্ট, ২০১৭ | ঃ গোলাঘাট জিলা কবি সন্মিলনৰ সহযোগত, কবি অমূল্য বৰুৱা স্মৃতিত ঃ *যুদ্ধ সন্ত্ৰাস আৰু সাম্প্ৰদায়িকতা বিৰোধ দিৱস।* |
| ৫। | ২৭ আগষ্ট, ২০১৭ | ঃ কাব্যচৰ্চা ঃ সহযোগত নগাঁও জিলা কবি সন্মিলন। |
| ৬। | ৬ ছেপ্টেম্বৰ, ২০১৭ | ঃ সদৌ অসম কবি সন্মিলনৰ প্ৰতিষ্ঠা দিৱস। সহযোগত ডিব্ৰুগড় জিলা কবি সন্মিলন।( সমলয় কবি চক্ৰ, নামৰূপ) (সকলো শাখাই পালন কৰিব) |
| ৭। | ৯ ছেপ্টেম্বৰ, ২০১৭ | ঃ পৃথিৱী আৰু পথাৰ কবি ৰাম গগৈ স্মৃতি দিৱস (সকলো শাখাই পালন কৰিব) সহযোগত চৰাইদেউ জিলা কবি সন্মিলন। |
| ৮। | ছেপ্টেম্বৰ, ২০১৭ | ঃ কাব্যচৰ্চা ঃ সহযোগত শিৱসাগৰ জিলা কবি সন্মিলন। |
| ৯। | ছেপ্টেম্বৰ, ২০১৭ | ঃ শাখা সভাপতি/সম্পাদক সন্মিলনঃ সহযোগত গোলাঘাট জিলা কবি সন্মিলন। |
| ১০। | অক্টোবৰ ২০১৭ | ঃ দ্বিতীয় কাৰ্যনিৰ্বাহক ঃ স্থান- মাজুলী, মাজুলী জিলা কবি সন্মিলনৰ ব্যৱস্থাপনাত |
| ১১। | অক্টোবৰ ২০১৭ | ঃ কবিতা উৎসৱ (তিনিদিনীয়াকৈ) ঃ সহযোগত মাজুলী জিলা কবি সন্মিলন। |
| ১২। | অক্টোবৰ, ২০১৭ | ঃ কাব্যচৰ্চা ঃ শোণিতপুৰ জিলাৰ সহযোগত। |
| ১৩। | ১২ নৱেম্বৰ, ২০১৭ | ঃ নিৰুদ্দিষ্ট কবি অৰনী চক্ৰৱৰ্তী দিন।ঃ সহযোগত কামৰূপ জিলা কবি সন্মিলন। |
| ১৪। | নৱেম্বৰ, ২০১৭ | ঃ কাব্যচৰ্চা ঃ সহযোগত তিনিচুকীয়া জিলা কবি সন্মিলন। |
| ১৫। | ডিচেম্বৰ, ২০১৭ | ঃ কাব্যচৰ্চা ঃ নলবাৰী জিলা কবি সন্মিলন। |
| ১৬। | ডিচেম্বৰ, ২০১৭ | ঃ বিশেষ কবিতা অনুষ্ঠান ঃ সহযোগত বঙাইগাঁও, বৰপেটা, মঙলদৈ, ধুবুৰী, গোৱালপাৰা। |
| ১৭। | ডিচেম্বৰ, ২০১৮ | ঃ কাব্যশিল্প (দুদিনীয়াকৈ) ঃ ডিব্ৰুগড় জিলা কবি সন্মিলন। |
| ১৮। | ডিচেম্বৰ, ২০১৭ | ঃ কবি স্মৰণ ঃ (পাপৰি কবি গণেশ গগৈৰ জন্ম দিৱসত সকলো প্ৰয়াত বিশিষ্ট কবিলৈ স্মৰণ) প্ৰতি বছৰে অন্য অন্য কবিৰ জন্মদিনত এই অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। সহযোগত যোৰহাট জিলা কবি সন্মিলন। |
| ১৯। | জানুৱাৰী, ২০১৭ | ঃ তৃতীয় কাৰ্যনিৰ্বাহক ঃ লখিমপুৰ, লখিমপুৰ জিলা কবি সন্মিলনৰ ব্যৱস্থাপনাত |
| ২০। | জানুৱাৰী, ২০১৮ | ঃ কাব্যচৰ্চা ঃ সহযোগত লখিমপুৰ জিলা কবি সন্মিলন। |
| ২১। | ১৭ জানুৱাৰী, ২০১৮ | ঃ শিল্পী দিৱস ঃ সহযোগত শোণিতপুৰ জিলা কবি সন্মিলন। |
| ২২। | জানুৱাৰী, ২০১৮ | ঃ কাব্যশিল্প (দুদিনীয়াকৈ) ঃ সহযোগত কামৰূপ জিলা কবি সন্মিলন। |
| ২৩। | ফেব্ৰুৱাৰী, ২০১৮ | ঃ কাব্যচৰ্চা ঃ স্থান-সহযোগত ডিব্ৰুগড় জিলা কবি সন্মিলন। |
| ২৪। | ফেব্ৰুৱাৰী, ২০১৮ | ঃ জনগোষ্ঠীয় কবি সন্মিলন ঃ যোৰহাট জিলা কবি সন্মিলনৰ সহযোগত |
| ২৫। | মাৰ্চ, ২০১৮ | ঃ কাব্যচৰ্চা ঃ সহযোগত চৰাইদেউ জিলা কবি সন্মিলন। |
| ২৬। | এপ্ৰিল ২০১৮ | ঃ চতুৰ্থ কাৰ্যনিৰ্বাহক ঃ গুৱাহাটী, কামৰূপ জিলা আথিত্যত। |
| ২৭। | ২ এপ্ৰিল, ২০১৮ | ঃ কাব্যপ্ৰাণ চুজাউদ্দিন আহমেদ স্মৃতি দিৱস ঃ সহযোগত শিৱসাগৰ জিলা কবি সন্মিলন |
| ২৮। | এপ্ৰিল, ২০১৮ | ঃ কাব্যচৰ্চা ঃ সহযোগত বিশ্বনাথ জিলা কবি সন্মিলন |
| ২৯। | মে, ২০১৮ | ঃ কাব্যচৰ্চা ঃ সহযোগত যোৰহাট জিলা কবি সন্মিলন |
| ৩০। | মে, ২০১ | ঃ মধ্যকালিন অধিৰেশনঃ নগাঁও জিলা কবি সন্মিলন আথিত্যত। |

অসমৰ বিভিন্ন মহাবিদ্যালয়ৰ সহযোগত পৰ্যায়ক্ৰমে 'কাব্যচিন্তন' অনুষ্ঠিত কৰা হ'ব।

# সদৌ অসম কবি সন্মিলনৰ

## কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক-২০১৭-১৯

| | |
|---|---|
| **উপদেষ্টা** | ঃ প্ৰেম গগৈ, জুলিয়ানা বেগম, আনিছ উজ জামান, ড° মাণিক শইকীয়া, আনন্দ চন্দ্ৰ দত্ত, প্ৰদীপ শৰ্মা, ৰাজুমণি বেজবৰুৱা, পৰাগজ্যোতি মহন্ত, হৰেন গগৈ, উদয় কুমাৰ শৰ্মা |
| **সভাপতি** | ঃ নীলকান্ত শইকীয়া |
| **উপসভাপতি** | ঃ অজিত বৰা, কৰুণাকান্ত বৰ্মন, প্ৰদীপ কুমাৰ গাভৰুপৰীয়া |
| **প্ৰধান সম্পাদক** | ঃ উজ্জ্বল পাওগাম |
| **সহকাৰী সম্পাদক** | ঃ ৰাজীৱ বৰদলৈ, উমেশ সোণোৱাল, পাৰ্থপ্ৰতিম শইকীয়া |
| **সাংগঠনিক সম্পাদক** | ঃ জোনালী মজুমদাৰ, বিতোপন গগৈ, স্নেহাজোনাক দত্ত, প্ৰাঞ্জল কুমাৰ খাউণ্ড |
| **নতুন কবিতা সম্পাদক** | ঃ ৰুস্তম গগৈ |
| **সমলয়** | ঃ *সভাপতি*— ড° প্ৰণৱ ঢেকীয়াল ফুকন, *সম্পাদক*— চৈয়দ পাৰভিজ হুছেইন |
| **আইন উপদেষ্টা** | ঃ সুদীপ্ত নয়ন গোস্বামী |
| **কোষাধ্যক্ষ** | ঃ ৰাখী শইকীয়া |
| **প্ৰচাৰ সম্পাদক** | ঃ অচ্যুত কুমাৰ বৰা |
| **কাৰ্য্যালয় সম্পাদক** | ঃ বাবলুপ্ৰসাদ বৰুৱা |
| **প্ৰকাশন সচিব** | ঃ **পৰাগজ্যোতি মহন্ত** |
| **কাৰ্যনিৰ্বাহক সদস্য** | ঃ হিতেশ গগৈ, বাৰীন্দ্ৰ দাস, ৰাজীৱ বৰা, ৰাজীৱ দত্ত বৰা, মনোৰঞ্জন বৰগোহাঞি, জগত গগৈ, মৃদুল কুমাৰ বৰ্মণ, দেৱজিত শৰ্মা, বিপিন বৰা, ৰঞ্জন মহন্ত, দেৱশ্ৰী হাজৰিকা, অৰূপ কুমাৰ চাংমাই, ৰণ্টু হাজৰিকা, ৰশ্মিৰেখা সাউদ খাউণ্ড, বন্দনা দত্ত, (গোলাঘাট) গংগামোহন মিলি (পদেন) |

**বিঃ দ্ৰ ঃ** মনোনীত আৰু আমন্ত্ৰিত সদস্যসকলৰ নামসমূহ পৰৱৰ্তী পৰ্য্যায়ত প্ৰকাশ কৰা হ'ব।

# কবি পৰিচিত

**নিৰু দত্ত গগৈ ঃ**



গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ নিবাসী কবি নিৰু দত্ত গগৈ সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী। কবি দত্ত গগৈৰ কবিতা দৈনিক জনমভূমি, দিগদৰ্শন, আজিৰ সময়, বৰ্ণিল, সুবাস আদি আলোচনী আৰু বাতৰিকাকতত প্ৰকাশ হৈছে। দত্তৰ প্ৰকাশিত কাব্যগ্ৰন্থ হ'ল— এপিফেনি মোৰ আই (২০১৬)। কবিগৰাকীৰ দুখনকৈ কাব্যগ্ৰন্থ ছপাশালত প্ৰকাশৰ বাবে মুদ্ৰণৰ কাম চলি আছে। সেইকেইখন হ'ল— থুনুকা মনৰ বকিয়াইদি, ভাৰ বল্লৰী ।

## বদনামী বৰষুণজাক

পশ্চিম আকাশৰ পানীগছাই
পিতাইৰ মুখত ৰ'দ চটিয়াই
আতেবেথে আইয়ে ভাঙে
সোণৰ সোলেং কঠিয়াৰ টোম।

গছবোৰ, পথাৰবোৰ ওৰেটি বছৰ
খপি থাকে মেঘৰ চকুলোৰে গা ধুবলৈ
নামবৰ ফালি দীঘলীয়া বাটটো
ৰৈ থাকে
এজাৰ সোণাৰু কৃষ্ণচূড়া ফুলালৈ।

হেপোৰ টেপোৰ কৈ ডাৱৰে
কঢ়িয়াই ভাগৰে কণিকাৰ বোজা,
টোপাটোপে হুৰমুৰাই নামে
কণকাবুঢ়ীৰ বদনামী জীয়েকৰ দৰে
বৰষুণজাক।
কাৰোবাৰ বুকু তিয়ায়
কাৰোবাৰ চৰুৰ তলৰ জাল নুমুৱায়।■

## লেখনি বিচাৰি আহ্বান

**ৰাম গগৈ সোঁৱৰণি বিশেষ সংখ্যাৰ *"নতুন কবিতা"*'ৰ** বাবে অসমৰ বিভিন্ন জিলা সমিতিৰ কবি সন্মিলন আৰু শাখা সমূহৰ লগতে অসমৰ নবীন-প্ৰবীন লেখক-লেখিকাৰ পৰা কবিতা, কবিতা বিষয়ক মননশীল লেখা জিলা সমিতিৰ লগতে শাখা সমিতিৰ উদ্যোগত অনুষ্ঠিত হোৱা মনোজ্ঞ অনুষ্ঠান, নতুন সমিতি গঠন, অনুষ্ঠানৰ লগত সংগতি থকা প্ৰয়োজনীয় ফটো আদি অহা **২৭ আগষ্ট, ২০১৭** তাৰিখৰ ভিতৰত **ৰুস্তম গগৈ,** *সম্পাদক* **'নতুন কবিতা'** বৰহাট— **৭৮৫৬৯৩,** চৰাইদেউ (অসম) নাইবা e-mail : natunkabita123@gmail.com প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালো।

**বিঃ দ্ৰঃ** লেখনিসমূহ ডি.টি.পি. কৰি দিব। যদি অসমীয়া ডি.টি.পি. হয়, তেনেহলে ৰামধেনু Softwar ত কৰি দিব।

সদৌ অসম কবি সন্মিলনৰ হৈ প্ৰকাশন সচিব পৰাগজ্যোতি মহন্তৰ দ্বাৰা প্ৰকাশিত, পাহি অফচেট প্ৰেছ, মৰাণহাটত মুদ্ৰিত
সম্পাদক ঃ *ৰুস্তম গগৈ* সহ-সম্পাদক ঃ *বিজয় গগৈ*

**Phone No.:** 9957911634, **E-Mail :** natunkabita123@gmail.com
ঠিকনা ঃ *ৰুস্তম গগৈ, বৰহাট—৭৮৫৬৯৩, চৰাইদেউ (অসম)*